NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 30-03-2024
**Time :** 19.10 hrs
*Assamese Evening Bulletin*

**HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিমহা ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ্ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰত্নৰে সন্মানিত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ, যশস্বী বিজ্ঞানী এম এছ্ স্বামীনাথন তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধৰী চৰণ সিং আৰু পি ভি নৰসিমহা ৰাওৰ অৱদানৰ শলাগ লৈছে।

৩। ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিনা যোৰহাট লোকসভা সমষ্টিৰ এগৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰিছে।

৪। ভাৰতৰ এন চিক্কি ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ যুটীটো মাড্ৰিদ স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। *আৰু*

৫। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ কিছুসময়ৰ পাছত লক্ষ্ণৌত হবলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধৰী চৰণ সিং আৰু পি ভি নৰসিমহা ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ্ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰে। ৰাষ্ট্ৰপতিয়ে প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ বৰ্ষিয়ান নেতা লালকৃষ্ণ  আদৱানীক কাইলৈ আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব। আজিৰ অনুষ্ঠানত সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ, বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ভাৰত ৰত্ন দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান। অসাধাৰণ আৰু উল্লেখনীয় সেৱাৰ বাবে এই সন্মান প্ৰদান কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰত্নৰে সন্মানিত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ, যশস্বী বিজ্ঞানী এম এছ্ স্বামীনাথন তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধৰী চৰণ সিং আৰু পি ভি নৰসিমহা ৰাওৰ অৱদানৰ শলাগ লৈছে।

প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, কপুৰী ঠাকুৰক ভাৰত ৰত্নৰে সন্মানিত কৰাটো সামাজিক ন্যায় আৰু সমতাৰ হকে নিজৰ জীৱন উৎসৰ্গা কৰা এগৰাকী ব্যক্তিলৈ প্ৰকৃত শ্ৰদ্ধাঞ্জলিস্বৰূপ হৈছে। তেওঁ কয় যে, পিচপৰা শ্ৰেণীৰ অধিকাৰৰ হকে কপুৰী ঠাকুৰৰ অক্লান্ত সংঘৰ্ষই ভাৰতীয় সমাজত অমিত চাপ এৰি থৈ গৈছে।

শ্ৰীমোদীয়ে কৃষি ক্ষেত্ৰত ড০ এম এছ্ স্বামীনাথনৰ অৱদানৰ কথা উল্লেখ কৰি কয় যে, কৃষি আৰু আনুবংশিক বিজ্ঞানৰ ক্ষেত্ৰত বিজ্ঞানীগৰাকীৰ গৱেষণাই সমগ্ৰ বিশ্বত সমাদৰ বুটলিবলৈ সমৰ্থ হৈছে। ড০ স্বামীনাথনৰ প্ৰচেষ্টাৰ বাবেই ভাৰত খাদ্য সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীল হ'বলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশৰ বিকাশ বিশেষকৈ কৃষি আৰু গ্ৰামাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা অৰিহণাৰ স্বীকৃতিস্বৰূপে প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধৰী চৰণ সিঙক ভাৰত ৰত্নৰে বিভূষিত কৰা হৈছে। এই সন্মানে চৌধৰী চৰণ সিঙে আদৰ্শ হিচাপে অনুসৰণ কৰা কঠোৰ পৰিশ্ৰম, নিষ্ঠা আৰু সামাজিক সেৱাৰ প্ৰমূল্যৰাজি মানি চলিবলৈ ভৱিষ্যৎ প্ৰজন্মক উৎসাহিত কৰিব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে।

প্ৰাক্তন প্ৰধানমন্ত্ৰী পি ভি নৰসিম্হা ৰাও সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশৰ প্ৰতিজন নাগৰিক তেওঁৰ অৱদানক লৈ গৌৰৱান্বিত। তেওঁ কয় যে, প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ প্ৰগতি আৰু আধুনিকীকৰণৰ হকে ব্যাপকভাৱে কাম কৰিছিল আৰু তেওঁ এগৰাকী বিদ্বান আৰু চিন্তাবিদ হিচাপে জনাজাত আছিল।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ইষ্টাৰৰ প্ৰাক্-ক্ষণত দেশবাসীক ওলগ জনাইছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাযোগে কৈছে যে, যীশুখ্ৰীষ্টৰ পুনৰুজ্জীৱনৰ স্মৃতিত উদযাপন কৰা এই উৎসৱ মৰম, ভালপোৱা আৰু কৰুণাৰ প্ৰতীক। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ইষ্টাৰে স্বাশ্বত সত্যৰ বাৰ্তা দিয়ে আৰু সকলোকে ত্যাগ আৰু ক্ষমাৰ পথ দেখুৱায়। যীশুখ্ৰীষ্টৰ শিকনিসমূহে আমাক শান্তি আৰু সমন্বয়ৰ পথেৰে অগ্ৰসৰ হোৱাত সহায় কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে পশ্চিমবঙ্গৰ বছিৰহাট কাৰাগাৰত শ্বেখ শ্বাহজাহানক জেৰা কৰি আছে। শ্বেখ শ্বাহজাহানক চি বি আয়ে গ্ৰেপ্তাৰ কৰিছিল আৰু তেওঁ সম্প্ৰতি বছিৰহাট কাৰাগাৰত বন্দী হৈ আছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে স্থানীয় লোকৰ ভূমি কাঢ়ি পুখুৰী খন্দা আৰু সেই পুখুৰীসমূহত মীন পালন কৰাৰ ক্ষেত্ৰত শ্বাহজাহানৰ ভূমিকাৰ তদন্ত কৰি আছে। শ্বাহজাহানে এই ব্যৱসায়েৰে যথেষ্ট ধন অৰ্জন কৰিছে আৰু সেই ধন ৰাজনৈতিক নেতাক যোগান ধৰাৰ লগতে বিদেশলৈ প্ৰেৰণ কৰি আহিছে।

০০০০০০০

চি পি আই এম এল দলে ঝাৰখণ্ডৰ পৰা লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া দলৰ একমাত্ৰ প্ৰাৰ্থীগৰাকীৰ নাম ঘোষণা কৰিছে। মহা মিত্ৰজোটৰ আসনৰ ভাগ-বাটোৱাৰাৰ চুক্তি অনুযায়ী চি পি আই এম এলে ৰাজ্যখনৰ কোডৰমা সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৰাঁচীত আজি এখন সংবাদমেল সম্বোধন কৰি দলৰ সাধাৰণ সম্পাদক মনোজ ভগতে কয় যে, বৰ্তমানৰ বিধায়ক বিনোদ সিঙে

এই আসনখনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। নিৰ্বাচনী প্ৰচাৰৰ সময়ত দলে কেন্দ্ৰীয় চৰকাৰৰ জনসাধাৰণ বিৰোধী নীতিসমূহ মুখ্য বিষয় কৰি ল'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমাৰ অন্ত পৰিছে। মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিনা যোৰহাট লোকসভা সমষ্টিৰ এগৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত প্ৰথম পৰ্যায়ত ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। এই পৰ্য্যায়ৰ বাবে ৩৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছিল। এই পৰ্যায়ত যোৰহাট, লখিমপুৰ, ডিব্ৰুগড়, শোণিতপুৰ আৰু কাজিৰঙাত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিয়ে এই পৰ্য্যায়ৰ ৫খন আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ৪খন আসনত প্ৰাৰ্থী থিয় কৰোৱাইছে আৰু ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াইছে। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, কামাখ্যা প্ৰসাদ তাছা আৰু তপন কুমাৰ গগৈ, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত কুমাৰ দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে কৈছে যে গোৱাত চলি থকা ইণ্ডিয়ান মহিলা লীগৰ সময়ত মহিলা ফুটবলাৰৰ ওপৰত তেওঁলোকৰ প্ৰশিক্ষকে শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ তেওঁৰ মন্ত্ৰালয়ে গুৰুত্বভাৱে লৈছে। আজি এটা ছহচিয়েল মিডিয়া পোষ্টত শ্ৰীঠাকুৰে কয় যে, অল ইণ্ডিয়া ফুটবল ফেডাৰেচন চমুকৈ (খঙ্ক) ক ক্ষীপ্ৰতাৰে পদক্ষেপ লহবলৈ আৰু ফুটবলাৰসকলৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তেওঁ কয়, মন্ত্ৰালয়ে খঙ্ক ক কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে মন্ত্ৰালয়ক অৱগত কৰিবলৈ নিৰ্দেশ দিছে। খেলুৱৈসকলৰ সুৰক্ষা আৰু নিৰাপত্তা চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

মিজোৰামত আগন্তুক লোকসভা নিৰ্বাচনত মুঠ ৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ সময়সীমা শেষ হোৱাৰ লগে লগে এতিয়া আনুষ্ঠানিকভাৱে ছয়জন প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত নামি পৰিছে। শাসকীয় জোৰাম পিপলছ মুভমেণ্টে ৰিচাৰ্ড ভানলালহমাংগাইহাক প্ৰাৰ্থীত্ব দিয়াৰ বিপৰীতে মূল বিৰোধী মিজো নেচনেল ফ্ৰণ্টে ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ কে ভানলালভেনাক প্ৰাৰ্থীত্ব দিছে। কংগ্ৰেছে প্ৰাক্তন এম পি এছ বিষয়া লালবিয়াকজামাক মনোনীত কৰাৰ বিপৰীতে বিজেপিয়ে ৰাজ্যিক সভাপতি

ভানলালহমুৱাকাক প্ৰক্ষেপ কৰিছে। পিপলছ কনফাৰেন্স (পিচি) দলে এগৰাকী মহিলা প্ৰাৰ্থী ৰীতা মালছামীক মনোনীত কৰাৰ বিপৰীতে সমাজ কৰ্মী লালহ্‌মুয়াট্ৰেংগা ছাংটে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰিছে। ভোটগ্ৰহণৰ তাৰিখ ওচৰ চাপি অহাৰ লগে লগে সমগ্ৰ ৰাজ্যখনতে প্ৰচাৰৰ ধাৰাবাহিকতা বৃদ্ধি পাইছে। মিজোৰামৰ একমাত্ৰ লোকসভা আসনখন দখল কৰিবলৈ ভোটাৰক আকৰ্ষণ কৰিবলৈ আটাইকেইজন প্ৰাৰ্থীয়ে পূৰ্ণ উদ্যমে প্ৰচাৰ চলাইছে। একমাত্ৰ লোকসভা আসনৰ বাবে নিজৰ প্ৰতিনিধি বাছনি কৰিবলৈ মিজোৰামত ১৯ এপ্ৰিলত ৮ লাখৰো অধিক ভোটাৰে ভোটদান কৰিব।

০০০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ কিছুসময়ৰ পাছত লক্ষ্ণৌত হবলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলকাতা নাইট ৰাইদাৰ্ছে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰি বিৰাট কোহলীৰ ৮৩ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইদাৰ্ছে ১৬ অভাৰ আৰু ৫টা বলত ৩টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ ভেংকটেশ আয়াৰে ৩০টা বলত ৫০ ৰান কৰে।

০০০০০০০

ভাৰতৰ এন চিক্কি ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ যুটীটো মাড্ৰিদ স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমি ফাইনেলৰ পৰা বিদায় লৈছে। এন চিক্কি ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ যুটীটো আজি ছেমি ফাইনেলত ইণ্ডোনেছিয়াৰ ৰিনোভ ৰিভাল্ডি আৰু পিঠা এইচ মেণ্টাৰিৰ হাতত ১৭-২১, ১২-২১ গেমত পৰাজিত হয়।

০০০০০০০

সমাপ্ত